ড° গকুল গগৈ, সহকাৰী অধ্যাপক, এম.চি.কলেজ

# অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি বা ব্যঞ্জনবৰ্ণ

অসমীয়া ভাষাৰ ব্যঞ্জনবৰ্ণসমূহ বিশ্লেষণ কৰি মুঠতে দুটা অৰ্ধস্বৰ বা শ্ৰুতিধ্বনি ৱ, য় আৰু একৈশটা ব্যঞ্জনবৰ্ণ পোৱা গৈছে। সেইকেইটা হৈছেঃ /ক, খ, গ, ঘ, ঙ, চ, জ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, স, হ, য়, ৱ/।

তলত উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া ব্যঞ্জনবৰ্ণৰ এখন তালিকা দাঙি ধৰা হৈছে। লগতে প্ৰতিটো বৰ্ণ অনুসৰি আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিকো উল্লেখ কৰা হৈছে—

| উচ্চাৰণৰ স্থান | | ওষ্ঠ্য | | দন্তমূলীয় | | তালব্য | পশ্চতালব্য | | কণ্ঠ্য |
|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | সঘোষ | অঘোষ | সঘোষ | সঘোষ | অঘোষ | সঘোষ | সঘোষ |
| স্পৃষ্ট | অল্পপ্ৰাণ | প (p) | ব (b) | ত (t) | দ (d) | | ক (k) | গ (g) | |
| | মহাপ্ৰাণ | ফ ($p^h$) | ভ ($b^h$) | থ ($t^h$) | ধ ($d^h$) | | খ ($k^h$) | ঘ ($g^h$) | |
| অস্পৃষ্ট | উষ্ম | | | চ (s) | জ (z) | | স (x) | | হ (h) |
| | নাসিক্য | | ম (m) | | ন (n) | | | ঙ (ŋ) | |
| | পাৰ্শ্বিক | | | | ল (l) | | | | |
| | তাড়িত বা কম্পিত | | | | ৰ (r) | | | | |
| | অৰ্ধস্বৰ | | ৱ (ʋ) | | | য় (j) | | | |

মন কৰিবলগীয়া কথা হ'ল, অসমীয়া ভাষাত ধ্বনি আৰু আখৰ একে নহয়। উচ্চাৰিত ধ্বনিৰ সংখ্যাতকৈ ব্যৱহাৰ হোৱা আখৰৰ সংখ্যা বেছি। আনহাতে বৰ্ণগত দিশত সংস্কৃত ভাষাৰপৰা বহুত আঁতৰি অহা সত্ত্বেও সংস্কৃত লিপিমালাকেই অসমীয়া ভাষাই অনুকৰণ কৰাৰ বাবে উচ্চাৰণগত ধ্বনিৰ সৈতে ব্যৱহৃত আখৰ বা ধ্বনিলিপি বহুখিনি বেলেগ হৈ পৰিল। সেয়ে অসমীয়া ভাষাত উচ্চাৰণগত ধ্বনিৰ লগত আখৰৰ অমিল দেখা যায়। তলত অসমীয়া ভাষাৰ বৰ্ণ আৰু প্ৰতিনিধিত্বকাৰী আখৰৰ এখন তালিকা দিয়া হৈছে —

| বৰ্ণ | আখৰ | আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি |
|---|---|---|
| ক | ক | k |
| খ | খ | $k^h$ |

| বর্ণ | আখৰ | আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি |
|---|---|---|
| গ | গ | g |
| ঘ | ঘ | $g^h$ |
| ঙ | ঙ | (তালিকাখনত দিয়া আছে) |
| চ | চ, ছ | s |
| জ | জ, ঝ | z |
| ত | ট, ত, ৎ | t |
| থ | ঠ, থ | $t^h$ |
| দ | ড, দ | d |
| ধ | ঢ, ধ | $d^h$ |
| ন | ণ, ন | n |
| প | প | p |
| ফ | ফ | $p^h$ |
| ব | ব | b |
| ভ | ভ | $b^h$ |
| ম | ম | m |
| ৰ | ৰ, ড় | r |
| ল | ল | l |
| ৱ | ৱ | (তালিকাখনত দিয়া আছে) |
| য় | য় | j |
| স | শ, ষ, স | x |
| হ | হ | h |